# লেখকসকলৰ প্ৰতি গোহাৰি

লেখকসকলৰ পৰা প্ৰধানকৈ গণিত বিষয়ক যিকোনো আৰ্হিৰ সুলিখিত লেখা আহ্বান কৰা হ'ল। গাণিতিক আৰু তাত্ত্বিক পদাৰ্থবিজ্ঞান, গাণিতিক অৰ্থনীতি, তাত্ত্বিক কম্পিউটাৰ বিজ্ঞান আদি বিষয়ক লেখাও গ্ৰহণ কৰা হয়।

লেখাসমূহত উপযুক্ত তথ্যসূত্ৰ সংযোগ কৰিব। কোনো উৎসৰ পৰা বক্তব্য গ্ৰহণ কৰিলে উদ্ধৃতি ৰূপে ব্যৱহাৰ কৰিব পাৰে, কুম্ভিলক বৃত্তিৰ (plagiarism) পৰা সম্পূৰ্ণৰূপে দূৰত থাকিব, আৰু প্ৰয়োজন সাপেক্ষে মূল লেখকৰ অনুমতি ল'ব।

**লেখা পঠিয়াবলৈ ই-মেইল ঠিকনা:** editor.ganitbikash@aamonline.org.in
ganitbikash@gmail.com

**হোৱাট্ছ্এপ নম্বৰ:** +919101906237 আৰু +447464034185

- লেখাসমূহ LaTeX ত লিখি পঠিয়াব পাৰিব।
- LaTeX ৰ সুবিধা নহ'লে MS Word আদি ধৰণৰ সঁজুলিত লিখি পঠিয়াব আৰু যাতে আখৰবোৰ নতুন কম্পিউটাৰ-মোবাইল, সাধাৰণ ৱেবছাইট আদিত চাব পৰা হয় সেইটো মন কৰিব। যত দূৰ সম্ভৱ, লেখাৰ pdf টোৱো পঠিয়াব।
- লেখাৰ লগত সংগতি থকা ছবি, ফটো আদি পঠিয়াব।

## LaTeX তো অসমীয়া লিখাটো তেনেই সহজ

LaTeX সঁজুলিসমূহৰ নতুন সংস্কৰণবোৰত প্ৰায়বোৰ ভাষাই লিখিব পাৰি। অসমীয়া লিখিবৰ বাবে fontspec আৰু babel package দুটা যোগ কৰি ল'ব লাগে। সমীকৰণবোৰতো অসমীয়া সংখ্যা-চিহ্ন ব্যৱহাৰ কৰিব পাৰি। Run কৰাৰ নিয়মটো সামান্য সুকীয়া। XeLaTeX বা LuaLaTeX ব্যৱহাৰ কৰিব লাগিব।

**উদাহৰণস্বৰূপে:** MikTeX আৰু এডিটৰ TexStudio ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ এটি ফাইল ইয়াৰ পৰা ডাউনলোড কৰিব পাৰিব: https://aamonline.org.in/Downloads/GB-LaTeX.zip। কম্পিউটাৰত 'Kalpurush' ফন্টটো ইনষ্টল থাকিব লাগিব। Run কৰিবলৈ Tools → Cammands → XeLaTeX এনেকৈ যাব লাগিব। তাৰ পাছত view ত ক্লিক কৰি চাব পাৰিব।